# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-10-2025 **Time :** 1340 Hrs.

## Assamese Midday Bulletin
Headlines
০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ য়শোভূমিত এছিয়াৰ সৰ্ববৃহৎ দূৰসংযোগ, মিডিয়া আৰু প্ৰযুক্তি সন্মিলন ভাৰতীয় মোবাইল মহাসভা-২০২৫ মুকলি কৰে।

২। বায়ুসেনা বাহিনীৰ মুৰব্বী এয়াৰ চীফ মাৰ্শ্চেল অমৰপ্ৰীত সিঙে বায়ু সেনা বাহিনীয়ে অপাৰেচন সিন্দূৰৰ সময়ত অদম্য সাহস আৰু  বীৰত্বৰ পৰিচয় দিয়া বুলি প্ৰকাশ কৰিছে।

৩। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰ আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব।

৪। চাৰ্জিঅ'গ'ৰক ভাৰতত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে।

*আৰু*

৫। মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি অষ্ট্ৰেলিয়া পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ য়শোভূমিত এছিয়াৰ সৰ্ববৃহৎ দূৰসংযোগ, মিডিয়া আৰু প্ৰযুক্তি সন্মিলন ভাৰতীয় মোবাইল মহাসভা-২০২৫ মুকলি কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয়, যে দূৰসংযোগ খণ্ডত দেশৰ সাফল্যই আত্ম-নিৰ্ভৰ ভাৰত দৃষ্টিভংগীৰ শক্তিকে সূচায়। তেওঁ কয়, যে এসময়ত টু জি প্ৰযুক্তিৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱা ভাৰতবৰ্ষৰ প্ৰায় প্ৰতিখন জিলাতে সম্প্ৰতি ফাইভ জি সেৱাৰ প্ৰৱৰ্তন হৈছে। তেওঁ কয়, যে দেশৰ ডিজিটেল সংযোগ এতিয়া আৰু কোনো বিলাসিতা নহয়, বৰং ই প্ৰতিগৰাকী ভাৰতীয়ৰ জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। ভাৰতীয় মোবাইল মহাসভা অকল মোবাইল বা দূৰসংযোগ খণ্ডতেই সীমিত নহয়, বৰং বিগত কেইটামান বছৰত এই মহাসভা এছিয়াৰ সৰ্ববৃহৎ ডিজিটেল প্ৰযুক্তি মঞ্চ হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে দেশে অলপতে ভাৰততে নিৰ্মিত ফ'ৰ জি ষ্টেক মুকলি কৰিছে আৰু এয়া দেশৰ গুৰুত্বপূৰ্ণ থলুৱা সাফল্যৰূপে বিবেচিত হৈছে। এয়া বিনিয়োগ, উদ্ভাৱন আৰু ভাৰতত সামগ্ৰী নিৰ্মাণৰ উপযুক্ত সময় বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে সম্প্ৰতি ভাৰত বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ দূৰ সংযোগ বজাৰ আৰু দ্বিতীয় সৰ্ববৃহৎ ফাইভ জি বজাৰৰূপে পৰিগণিত হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয়, যে ভাৰত সম্প্ৰতি বিশ্বৰ ডিজিটেল ধ্বজাবাহকৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে দেশৰ ডিজিটেল বিপ্লৱ ইংৰাজী বৰ্ণমালাৰ চাৰিটা ডি ডেম'ক্ৰেছি, ডেম'গ্ৰাফী, ডিজিটেল ফাৰ্ষ্ট আৰু ডেলিভাৰী অৰ্থাৎ গণতন্ত্ৰ, জনগাঁথনি, ডিজিটেল প্ৰথম আৰু সেৱা প্ৰদানৰ ওপৰত আধাৰিত। শ্ৰীসিন্ধিয়াই কয়, যে দেশত ব্ৰড বেংক উপভোক্তাৰ সংখ্যা ২০১৪ চনত ৬ কোটিৰ পৰা ৯৪ কোটি ৪০ লাখলৈ

বৃদ্ধি পাইছে। দেশৰ জিলাসমূহৰ ৯৯ দশমিক ৯ শতাংশকে সম্প্ৰতি ফাইভ জি সেৱাৰে সাঙুৰি লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বিশ্বৰ ২০ খন দেশে ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ আৰ্হি আঁকোৱালি লোৱাৰ বাবে সক্ৰিয়ভাৱে আলোচনা কৰি আছে।

**পৰিৱৰ্তনৰ বাবে উদ্ভাৱন** বিষয়বস্তুৰে চাৰিদিনীয়াকৈ আয়োজিত এই সন্মিলনত দূৰসংযোগ আৰু ডিজিটেল প্ৰযুক্তি খণ্ডত আত্মনিৰ্ভৰশীলতা গঢ়ি তোলাৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ পদক্ষেপক আগুৱাই লৈ যোৱাৰ লক্ষ্য লোৱা হৈছে। সন্মিলনত 6G পৰিস্থিতি তন্ত্ৰ, চাইবাৰ নিৰাপত্তা, উপগ্ৰহীয় যোগাযোগ, কৃত্ৰিম বুদ্ধিমত্তা, দূৰসংযোগ আদি দিশসমূহত আলোকপাত কৰা হ'ব। এই সন্মিলনত ডেৰ লাখ লোকৰ উপস্থিতি আশা কৰা হৈছে। সন্মিলনত জাপান, কানাডা, ব্ৰিটেইন, ৰাছিয়া, আয়াৰলেণ্ড, অষ্ট্ৰিয়া আদিকে ধৰি বিশ্বৰ ডেৰশখনতকৈও অধিক দেশৰ ৭ হাজাৰতকৈও অধিক  প্ৰতিনিধি আৰু ৪০০তকৈও অধিক প্ৰদৰ্শনীত ভাগ ল'বলগীয়া লোকে অংশ ল'ব। সন্মিলনত হ'বলগীয়া এশতকৈও অধিক সত্ৰত ৮০০ গৰাকীতকৈও অধিক বক্তাই ভাষণ দিব।

০০০০০০০

বায়ুসেনা বাহিনীৰ মুৰব্বী এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিঙে বায়ু সেনা বাহিনীয়ে অপাৰেচন সিন্দূৰৰ সময়ত অদম্য সাহস আৰু  বীৰত্বৰ পৰিচয় দিয়া বুলি প্ৰকাশ কৰিছে। গাজিয়াবাদৰ হিন্দন বায়ু সেনা ঘাটিত বায়ু সেনাৰ ৯৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি বায়ুসেনা বাহিনীৰ মুৰব্বীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত বায়ু সেনা বাহিনীৰ নিদৰ্শনমূলক প্ৰদৰ্শনে সমগ্ৰ ৰাষ্ট্ৰক গৌৰৱান্বিত কৰিছে। তেওঁ কয়, যে সঞ্চালন পৰিকল্পনাৰ নতুন প্ৰণালী, অস্ত্ৰ-শস্ত্ৰ আৰু আহিলা-পাতি সংযোজনৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাটো গুৰুত্বপূৰ্ণ সাফল্যৰূপে পৰিগণিত হৈছে। তেওঁ কয়, যে বায়ু সেনা বাহিনীয়ে সিন্ধু অভিযানৰ সময়ত সংঘৰ্ষজৰ্জৰ এলেকাৰ পৰা ভাৰতীয় নাগৰিকসকলক আঁতৰাই অনাত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁ কয়, যে বায়ু সেনা বাহিনীয়ে ১৯৪৭ চনত কাশ্মীৰৰ সুৰক্ষাৰ পৰা, ১৯৭১ চনৰ যুদ্ধত নিৰ্ণায়ক ভূমিকা পালন, ১৯৯৯ চনৰ কাৰ্গিল যুদ্ধ আৰু ২০১৯ চনৰ বালাকোট বিমান আক্ৰমণলৈকে প্ৰতিটো যুগতে নতুন ইতিহাস ৰচনা কৰি আহিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথম ঐতিহাসিক ভ্ৰমণসূচীৰে  ভাৰতলৈ আহিবলগীয়া ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰলৈ আদৰণি জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে, যে তেওঁ শ্ৰীকীৰৰ সৈতে কাইলৈ হ'বলগীয়া আলোচনালৈ আগ্ৰহেৰে বাট চাই আছে। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকী আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদী আৰু প্ৰধানমন্ত্ৰী ষ্টাৰমাৰে মুম্বাইত হ'বলগীয়া ষষ্ঠ গোলকীয় বিত্ত প্ৰযুক্তি মহোৎসৱত অংশগ্ৰহণ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব। ভাৰতক আন্তঃৰাষ্ট্ৰীয় বিমান পৰিবহণৰ কেন্দ্ৰ হিচাপে ৰূপান্তৰ কৰাৰ লক্ষ্যৰ আধাৰত শ্ৰীমোদীয়ে আজি নৱী মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায় মুকলি কৰিব। ভাৰতৰ সৰ্ববৃহৎ সেউজ ক্ষেত্ৰ বিমান বন্দৰ হিচাপে পৰিগণিত হ'বলগীয়া নৱী মুম্বাই আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰটো প্ৰথম পৰ্যায় ১৯ হাজাৰ ৬৫০ কোটি টকা ব্যয়ৰে সম্পূৰ্ণ কৰা হৈছে। এই বিমান বন্দৰটোৰে বছৰি ৯ কোটি যাত্ৰী আৰু ৩২ দশমিক ৫ লাখ মেট্ৰিকটন সামগ্ৰী

পৰিবহণত সহায় কৰিব বুলি আশা কৰা হৈছে। আজিৰ ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে মুম্বাই মেট্ৰ'ৰ তৃতীয় লাইনৰ টু-বি পৰ্যায়টো মুকলি কৰিব। প্ৰায় ১২ হাজাৰ ২০০ কোটি টকা ব্যয়ৰে মুম্বাই মেট্ৰ'ৰ এই ৰে'লপথছোৱা নিৰ্মাণ কৰি উলিওৱা হৈছে। ইয়াৰ লগতে প্ৰধানমন্ত্ৰীগৰাকীয়ে ৩৭ হাজাৰ ২৭০ কোটি টকাৰো অধিক ধনৰ ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা মুম্বাই মেট্ৰ'ৰ তৃতীয়টো লাইন ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এই ৰে'লপথছোৱাৰ উদ্বোধনে মহানগৰখনৰ নগৰীয়া যাতায়াত সুচল কৰি তুলিব বুলি আশা কৰা হৈছে। কাইলৈ শ্ৰীমোদীয়ে মুম্বাইত আজি ভাৰতলৈ আহিবলগীয়া ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰক সাক্ষাৎ কৰাৰ কথা আছে।

০০০০০০০

চাৰ্জিঅ'গ'ৰক ভাৰতত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। দেশখনৰ উচ্চ সদন চিনেটে কালি ১০৭ গৰাকী মনোনীত ব্যক্তিৰ মাজৰ পৰা শ্ৰীগ'ৰৰ নাম নিশ্চিত কৰে।

০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি স্বাধীনতা সংগ্ৰামী লোকনায়ক জয় প্ৰকাশ নাৰায়ণৰ মৃত্যু দিৱস উপলক্ষে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰীশ্বাহে কয়, যে জয় প্ৰকাশ নাৰায়ণে সেই সময়ৰ দেশৰ যুৱ প্ৰজন্মক স্বৰাজ সংগ্ৰামৰ সৈতে সংযুক্ত কৰি দেশে স্বাধীনতা লাভ কৰাৰ দিশে আগবঢ়াৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। তেওঁ লগতে কয়, যে তেতিয়াৰ গ্ৰামীণ ভাৰতখন সবল কৰি তোলা তথা গণতন্ত্ৰক ৰক্ষণাবেক্ষণ দিয়াৰ বিষয়ত নাৰায়ণৰ ভূমিকা লেখত ল'বলগীয়া। লোকনায়কজনে নিজৰ **সম্পূৰ্ণ ক্ৰান্তি**ৰ শ্লোগানৰ জৰিয়তে সেই সময়ৰ দেশৰ শাসনৰ দায়িত্বত থকা বৃটিছ চৰকাৰে আগবঢ়োৱা জৰুৰীকালীন অৱস্থাৰ বিৰুদ্ধে সজোৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ কথা সুঁৱৰি শ্ৰীশ্বাহে এইজন স্বাধীনতা সেনানী প্ৰতিজন দেশপ্ৰেমীৰ বাবে প্ৰেৰণা হৈ ৰ'ব বুলিও উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ প্ৰয়াত জনপ্ৰিয় নেতা তথা পূৰ্বৰ কেন্দ্ৰীয় মন্ত্ৰী ৰাম বিলাস পাছোৱানৰ মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে পিচপৰা আৰু উৎপীড়িত শ্ৰেণীৰ হকে আজীৱন কাম কৰা প্ৰয়াত নেতাগৰাকী নিজৰ জীৱনকালত সামাজিক ন্যায় প্ৰদানৰ প্ৰতীকৰূপে চিহ্নিত হৈছিল আৰু দেশক একতাৰ বান্ধোনেৰে বান্ধি ৰখাৰ ক্ষেত্ৰত তেওঁৰ অৱদান যুগ যুগান্তৰলৈ স্মৰণীয় হৈ ৰ'ব।

০০০০০০০

মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত অষ্ট্ৰেলিয়া পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত আৰম্ভ হ'ব। এইবাৰৰ প্ৰতিযোগিতাত পাকিস্তান প্ৰথম দুখন খেলত ভাৰত আৰু বাংলাদেশৰ হাতত পৰাজিত হৈছে। ইয়াৰ বিপৰীতে, অষ্ট্ৰেলিয়াই প্ৰথমখন খেলত নিউজিলেণ্ডক পৰাভূত কৰিছে। ইপিনে, যোৱা নিশা গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে বাংলাদেশক ৪ উইকেটত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত